# কেনেকৈ আৰবী ভাষা ভালকৈ শিকিব পাৰো?

ভাৰত কেইদিনমান হ'ল এজন তুৰোস্কীয় ছাত্ৰ বিশ্ববিদ্যালয়ত প্ৰবেশ লৈছে। সি প্ৰথমবাৰৰ বাবে এটা আৰাবীয়ান চহৰ দেখিবলৈ পায়। শুক্ৰবাৰৰ দিনা ৰাতিপুৱা তুৰোস্কীয় ছাত্ৰজন সাধাৰণ উদ্যানলৈ যায়। সি অলপ খোজ কাঢ়ে। তাৰ পিছত সি এটা গছৰ তলত বহে আৰু ইফালে-সিফালে মানুহ আৰু গছলৈ চায়। তাৰ হাতত এটা সৰু আৰবী অবিধান আছিল। সি অবিধানখন মেলে আৰু এটা ফুলৰ নাম বিচাৰে তাৰ পিছত সি তাৰ কাযত থকা মানুহজনক শুধেঃ

ছাত্ৰজনঃ হে মহোদয়ঃ মই আপোনাক এটা বস্তুৰ বিষয়ে শুধিব পাৰোনে? এই দীঘল ফুলটোৰ নাম কি?

মানুহজনঃ এইটো সুৰ্য্যৰ পুজাৰী (বেলি ফুল) কাৰণ ই সুৰ্য্যৰ লগত ঘুৰি থাকে।

ছাত্ৰজনঃ আপোনাক ধন্যাবাদ।

মানুহজনঃ তুমি ইয়াত কাম কৰানে?

ছাত্ৰজনঃ নহয়, মই মালিক ছাউদ বিশ্ববিদ্যালয়ৰ এজন ছাত্ৰ।

মানুহজনঃ তুমি ক'ৰ পৰা আহিছা?

ছাত্ৰজনঃ তুৰোস্কৰ পৰা, মোৰ চহৰতে আৰবী শিকিছো, মই প্ৰতিদিনে দহটা নতুন শব্দ শিকিবলৈ চেষ্টা কৰো। মই যি দেখা পাওঁ বা শুনা পাওঁ তাক মই লিখি লওঁ।

মানুহজনঃ তোমাৰ নাম কি?

ছাত্ৰজনঃ মোৰ নাম ইহছান। আৰু আপোনাৰ?

মানুহজনঃ মোৰ নাম আব্দুল আজিজ, আৰু মই ব্যৱসায় কৰো। তুমি কি কি ভাষাত কথা পাতা?

ছাত্ৰজনঃ মোৰ ভাষা তুৰোস্কীয়। বিদ্যালয়ত মই ইংৰাজী আৰু ফৰাছী ভাষা শিকিছো। মই আৰবী ভাষা ভাল পাওঁ। মই কোৰানৰ শ্বৰীফৰ আয়াতোবোৰ নবুজাকৈ তেলাৱত কৰি আছিলো। মোৰ দেউতায় প্ৰতিশ্ৰুতি দিছিল যে মোক এখন আৰবী বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰাব সেয়েহে তেওঁ মোক এজন আৰবী ভাষাৰ শিক্ষকলৈ পঠাইছিল। মই অলপ শিকিছো আৰু আৰবী ভাষা ভাকৈ শিকিবলৈ মোৰ আগত দিঘলীয় সময় আছে ।